# Inauguration of Classes for Competitive Examination







The College inaugurated classes for competitive examination on 25-01-2021. The Programme was conducted by Mr. Prabin Borah coordinator of Information & Career Guidance Cell of Sankardeva Mahavidyalaya. The resource person of the said programme was Dr. Rakesh Sarmah, Associate Professor, Department of Economics, SDM. Apart from the resource person, speeches were given by the Dr. Sonaram Kalita principal of the college. The programme was attended by faculties and students of the college.



শিক্ষাৰ্থীক নিয়মীয়াকৈ বাতৰিকাকত অধ্যয়নৰ অভ্যাস গঢ়াৰ আহ্বান

## পথালিপাহাৰৰ শংকৰদেৱ মহাবিদ্যালয়ত কেৰিয়াৰ সজাগতা সভা

নিয়মীয়া বাৰ্তা, নাৰায়ণপুৰ, ১৩ ফেব্ৰুৱাৰী ঃ অসম-অৰুণাচল প্ৰদেশ সীমান্তবৰ্তী লখিমপুৰ জিলাৰ নাৰায়ণপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত পথালিপাহাৰস্থিত শংকৰদেৱ মহাবিদ্যালয়ত যোৱা ২৫ জানুৱাৰীত শিক্ষাৰ্থীসকলৰ ভৱিষ্যৎ জীৱনৰ সঠিক পথ নিৰ্দেশনামূলক এখন সজাগতা সভা অনুষ্ঠিত হৈ যায়। ইনফৰমেচন এণ্ড কেৰিয়াৰ গাইডেঞ্চ চেল বিভাগৰ সমন্বয়ক প্ৰবীণ বৰাই আঁত ধৰি অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰাৰ লগতে শিক্ষাৰ্থীসকলৰ বাবে স্নাতক ডিগ্ৰী অধিকাৰী হোৱাটোৱেই হৈছে যিকোনো প্ৰতিযোগিতামূলক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ প্ৰাথমিক চৰ্ত বুলিও উল্লেখ কৰে। স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছতহে ছাত্ৰ-ছাত্ৰীসকলে কেৰাণীৰ পৰা আৰম্ভ কৰি আই এ এছ পৰীক্ষা পৰ্যন্ত যিকোনো পৰীক্ষাত অনুত্তীৰ্ণ হ'ব পাৰে। এনেবোৰ দিশত দিক-দৰ্শন কৰিবলৈ আৰু লগতে প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ আভাস আৰু দক্ষতা বৃদ্ধিৰ বাবে বিশেষ শ্ৰেণীৰ ব্যৱস্থা কৰা হৈছে বুলিও উল্লেখ কৰে। সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সোণাৰাম কলিতাই উদ্বোধন কৰি দিয়া ভাষণত অনুষ্ঠানত অংশগ্ৰহণ কৰা সকলোকে সম্ভাষণ জনোৱাৰ লগতে আই চি জি চিক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিকতাৰে পাঠগ্ৰহণ কৰিবলৈও আহ্বান জনায়। লগতে তেওঁ উক্ত পাঠদানত সহায়ক হোৱাকৈ প্ৰয়োজনীয় কিতাপ-পত্ৰ আৰু অন্যান্য সকলোবোৰ সুবিধা কৰি দিয়াৰ কথা অৱগত কৰে। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ উপাধ্যক্ষ অজিত গোস্বামীয়ে এনে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে আহ্বায়ক বিভাগক ধন্যবাদ জ্ঞাপন কৰি কয় যে উক্ত পাঠদান ব্যৱস্থাৰ জৰিয়তে মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকল যথেষ্ট পৰিমাণে উপকৃত হ'ব বুলিও আশা প্ৰকাশ কৰে। লগতে তেওঁ উক্ত পাঠদানৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ জীৱন গঢ় দিয়াত যথেষ্ট সচেতনতা বৃদ্ধি পাব বুলিও উল্লেখ কৰে। সভাখনত অৰ্থনীতি বিভাগৰ সহযোগী অধ্যাপক ড° ৰাকেশ শৰ্মাই শিক্ষাৰ্থীসকলক কষ্ট কৰাৰ বাবে শপত বাক্য পাঠ কৰোৱাৰ লগতে জীৱনত সফলতা লাভৰ কোনো চুটি পথ নথকা বুলিও উল্লেখ কৰে। আনকি তেওঁ দৈনিক বাতৰিকাকত নিয়মীয়াকৈ অধ্যয়ন কৰাৰ অভ্যাস গঢ়ি তুলিবলৈও সকলো ছাত্ৰ-ছাত্ৰীকে আহ্বান জনায়। অনুষ্ঠানত ইংৰাজী বিভাগৰ ছাত্ৰী চিম্পী ফুকনে এনে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে শিক্ষাগুৰুসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ইয়াৰ দ্বাৰা তেওঁলোক উপকৃত হ'ব বুলিও সন্তুষ্টিমূলক বক্তব্য আগবঢ়ায়। আহ্বায়ক প্ৰবীণ বৰাই শেষত শলাগৰ শৰাই আগবঢ়ায়।

